অসম বিধান সভা, ২০১৭

তৰাবিহীন প্ৰশ্ন নং : ২৫৯

উত্তৰ দানৰ তাৰিখ : ০৮/০২/২০১৭

বিষয় : জাঁজী কোনা বীজ ফাৰ্ম

বিধায়কৰ নাম : শ্ৰীসত্যব্ৰত কলিতা :

*মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :*

(ক) কমলপুৰ সমষ্টিৰ জাজীকোণা বীজ ফাৰ্মখন সম্পূৰ্ণ কাৰ্যক্ষম অৱস্থাত নাই, (তৰাবিহীন প্ৰশ্ন নং ২০/৭/২০১৬ ইং তাৰিখৰ ১০৮ 'ক') উত্তৰ সাপেক্ষে চৰকাৰে সম্পূৰ্ণ কাৰ্যক্ষম কৰিবলৈ আঁচনি গ্ৰহণ কৰিছে নেকি ?

(খ) যদি কৰা নাই, কৃষকৰ স্বাৰ্থত বীজ ফাৰ্মখন অতি সোনকালে সম্পূৰ্ণ কাৰ্য্যক্ষম কৰি তুলিবনে ?

(গ) বীজ ফাৰ্মত ধান, সৰিয়হ আদিৰ মূল বীজ আৰু প্ৰমানিত বীজ উৎপাদন কৰি বিভাগীয় আঁচনিৰ অধীনত কৃষকৰ মাজত বিতৰণ কৰিলে কৃষকসকল উপকৃত হ'ব (একেটা প্ৰশ্নৰ 'খ') সাপেক্ষে আগন্তুক দিনত চৰকাৰে বীজ উৎপাদনৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি কৃষকৰ মাজত বীজ বিতৰণৰ ব্যৱস্থা কৰিবনে ?

*মাননীয় কৃষি মন্ত্ৰী শ্ৰীঅতুল বৰা ডাঙৰীয়াই উত্তৰ প্ৰদান কৰিব :*

ক) কমলপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত জাঁজীকোণা বীজ পামখন বৰ্তমান সম্পূৰ্ণভাৱে কাৰ্যক্ষম হৈ উঠা নাই। ২০১৫-১৬ চনত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত প্ৰায় ৭ হেক্টৰ কৃষিভূমি সামৰি ২.৪ কুইণ্টল প্ৰজননবিদৰ বীজেৰে (Breeders seed) অধিক উৎপাদনক্ষম ৰঞ্জিত আৰু বাহাদুৰ জাতৰ ধানৰ খেতি কৰি মূল বীজ (foundation seed) কৰাৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছিল। ২০১৭-১৮ বৰ্ষত কৃষি বিভাগে ইয়াৰ অধীনস্থ বিভিন্ন বীজ পামসমূহ উৎপাদনমুখী কৰি তুলিবলৈ এখন বিশেষ আঁচনিৰ বাবে এইবাৰৰ বাজেটত প্ৰস্তাৱ দাখিল কৰিছে। এই আঁচনিখনে অনুমোদন পালে জাঁজীকোণা বীজ পামখনকো কাৰ্যক্ষম কৰি তোলা হ'ব।

খ) প্ৰশ্ন 'ক'ৰ উত্তৰত উল্লেখ কৰা হৈছে।

গ) প্ৰশ্ন 'ক'ৰ উত্তৰত প্ৰকাশ কৰা ধৰণে বীজ পামসমূহ কাৰ্যক্ষম কৰি তোলাৰ বাবে কৃষি বিভাগে এইবাৰৰ বাজেটত দাখিল কৰা প্ৰস্তাৱটোৰে অনুমোদন পালে আগন্তুক দিনত জাঁজীকোণা বীজ পামত ধান, সৰিয়হ আদিৰ মূল বীজ (foundation seed) ৰ লগতে প্ৰমাণিত বীজ (Certified seed) উৎপাদন কৰি বিভাগীয় আঁচনিৰ অধীনত কৃষকৰ মাজত বিতৰণৰ ব্যৱস্থা কৰা হ'ব।

—— × ——